# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-12-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কুৱেটৰ বৰ্তমানৰ অধ্যক্ষতাত গালফ সহযোগিতা পৰিষদ, জি চি চি আৰু ভাৰতৰ মাজত সহযোগিতা অধিক বৃদ্ধি পাব বুলি আশ্বাস ব্যক্তি কৰিছে।

২। বিজেপিৰ জ্যেষ্ঠ নেতা দেৱেন্দ্ৰ ফাড়নবিছে আজি তৃতীয়বাৰৰ বাবে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব।

৩। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৰ নৱতম মহাকাশ যান PSLV-C59 আজি বিয়লি শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা উৎক্ষেপন কৰা হ'ব।

৪। অসম চৰকাৰে ৰেস্তোৰাঁ, হোটেল ৰাজহুৱা অনুষ্ঠান আৰু আন সামাজিক স্থানত গো মাংসৰ ব্যৱহাৰ সম্পূৰ্ণ ৰূপে বন্ধ কৰাৰ কথা ঘোষণা কৰিছে।

*আৰু*

৫। ওমানৰ মাস্কটত অনুষ্ঠিত পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰতে চূড়ান্ত বিজয়ীৰ খিতাপ দখল কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কুৱেটৰ বৰ্তমানৰ অধ্যক্ষতাত গালফ সহযোগিতা পৰিষদ, জি চি চি আৰু ভাৰতৰ মাজত সহযোগিতা অধিক বৃদ্ধি পাব বুলি আশ্বাস ব্যক্তি কৰিছে। প্ৰধানমন্ত্ৰীৰ বাসগৃহত কালি কুৱেটৰ বিদেশ মন্ত্ৰী আব্দুল আল য়াহয়াৰ সৈতে হোৱা কথা বতৰাত শ্ৰীমোদীয়ে এই আশ্বাস ব্যক্তি কৰে। দুয়োগৰাকী নেতাই বেপাৰ-বাণিজ্য, বিনিয়োগ শক্তি, উদ্যোগ, সংস্কৃতি আদিৰ লগতে উভয় দেশৰ জনসাধাৰণৰ মাজত সম্বন্ধক অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধি কৰাৰ ক্ষেত্ৰ বিভিন্ন উপায় সন্দৰ্ভত আলোচনা কৰে।

ooooo

বিদেশ পৰিক্ৰমা মন্ত্ৰী ডং এছ্ জয়শংকৰে কালি নতুন দিল্লীত কুৱেটৰ বিদেশ মন্ত্ৰী আব্দুলা আলী অল-য়াহয়াৰ সৈতে দেশ দুখনৰ মাজৰ বিভিন্ন ক্ষেত্ৰত থকা সম্পৰ্কৰ বিষয়ে আলোচনা কৰাৰ লগতে উভয় দেশৰ সম্বন্ধক অধিক শক্তিশালী কৰাৰ উপায় সন্দৰ্ভতো আলোচনাত মিলিত হয়। নেতা দুগৰাকীয়ে শেহতীয়াকৈ পশ্চিম এছিয়াত হোৱা উন্নয়নমূলক গতিবিধি আৰু **গালফ** সহযোগিতা পৰিষদৰ ক্ষেত্ৰত ভাৰতৰ সহযোগিতা সন্দৰ্ভতো মত বিনিময় কৰে। তেওঁলোকে সহযোগিতাৰ বাবে বিদেশমন্ত্ৰী পৰ্যায়ৰ এখন যুটীয়া আয়োগ গঠন সন্দৰ্ভত বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। বৈঠকত শ্ৰীজয়শংকৰে কয়, যে ব্যৱসায়, বাণিজ্য, বিনিয়োগ, শক্তি, তথ্যপ্ৰযুক্তি আৰু সংস্কৃতি আদি বিভিন্ন ক্ষেত্ৰত কুৱেটৰ সৈতে থকা দ্বিপাক্ষিক সম্বন্ধক অধিক শক্তিশালী কৰি তোলাৰ বাবে ভাৰত প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ

কয়, যে ভাৰত আৰু কুৱেটৰ মাজত দীৰ্ঘদিনীয়া সু-সম্পৰ্ক আছে। ২০৪৭ চনৰ ভিতৰত ভাৰতৰ **বিকশিত ভাৰত** আৰু ২০৩৫ চনৰ ভিতৰত কুৱেটৰ **নতুন কুৱেট** দৃষ্টিভংগীয়ে দেশ দুখনক উন্নতিৰ নতুন শিখৰলৈ লৈ যাব বুলিও তেওঁ উল্লেখ কৰে। তেওঁ লগতে কয়, যে কুৱেটত থকা ভাৰতীয়মূলৰ লোকসকলে দেশ দুখনৰ মাজৰ সেঁতু হিচাপে কাম কৰি আছে। এটা বক্তব্যত কুৱেটৰ বিদেশ মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে ভাৰত কুৱেটৰ এখন অতি গুৰুত্বপূৰ্ণ বন্ধু ৰাষ্ট্ৰ। তেওঁ লগতে খাদ্য সুৰক্ষা আৰু চাইবাৰ সুৰক্ষা উভয় দেশৰ বাবে গুৰুত্বপূৰ্ণ বিষয় বুলিও মত প্ৰকাশ কৰে।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা দেৱেন্দ্ৰ ফাড়নবিছে আজি তৃতীয়বাৰৰ বাবে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব। মুম্বাইৰ ঐতিহাসিক আজাদ ময়দানত বিয়লি হ'বলগীয়া এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণে শ্ৰীফাড়নবিছক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব। উল্লেখযোগ্য যে, শ্ৰীফাড়নবিছক কালি সৰ্বসন্মতি ক্ৰমে বিজেপি বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত কৰা হয়। দেৱেন্দ্ৰ ফাড়ণবিছে কালি মিত্ৰজোঁটৰ শিৱসেনাৰ নেতা একনাথ সিন্দে আৰু এন চি পিৰ মুৰব্বী অজিত পাৱাৰে ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণক সাক্ষাৎ কৰে আৰু মহাৰাষ্ট্ৰত চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, এন ডি এ শাসনাধিস্থিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰীসকলে এই শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব।

ৰাজ্যপালৰ সৈতে হোৱাৰ বৈঠকৰ পিছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীফাড়নবিছে কয়, যে শিৱসেনা আৰু এন চি পিৰ বাহিৰেও ৰাষ্ট্ৰীয় সমাজপক্ষ, জনসূৰ্য শক্তি দল, যুৱ স্বাভিমান পক্ষৰ ৰবি ৰানা আৰু দুগৰাকী নিৰ্দলীয় বিধায়কে তেওঁলৈ সমৰ্থন আগবঢ়াইছে।

০০০০০

ভূটানৰ ৰজা জিগমে খেছৰ নামগ্যাল ৱাংচুক আৰু ৰাণী জেতচুন পেমা ৱাংচুক আজি দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। ভ্ৰমণকালত ভূটানৰ ৰজাগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিব। বিদেশমন্ত্ৰী ড° এছ জয়শংকৰ আৰু চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলে অভ্যাগত ৰজাগৰাকীক দেখা কৰিব। ভাৰত আৰু ভূটানৰ মাজত বন্ধুত্ব আৰু সহযোগিতাৰ অনন্য সম্পৰ্ক আছে আৰু পাৰস্পৰিক বুজাপৰা আৰু বিশ্বাস এই সম্পৰ্কৰ মূল বৈশিষ্ট্য। এই ভ্ৰমণে দ্বিপাক্ষিক সহযোগিতাৰ সকলো দিশৰ পৰ্যালোচনা চলাৰ সুযোগ প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

০০০০০

অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক প্ৰছেচাৰ সৌমিত্ৰ দত্তই সু-শাসনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰশংসা কৰিছে। তেওঁ কৈছে, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যোৱা ১০ বছৰত সমগ্ৰ বিশ্বৰ ভাৰতৰ প্ৰতি থকা দৃষ্টিভংগী সলনি হৈছে। কিয়নো ভাৰত বিশ্বৰ আৰ্থিক শক্তি লৈ পৰিগণিত হোৱাৰ পথত দ্ৰুতগতিত আগবাঢ়িছে। শেহতীয়াকৈ 'From Gridlock to Growth - How Leadership Enables India's PRAGATI Ecosystem to Power Progress' শীৰ্ষক অধ্যয়নৰ সহ লেখক প্ৰফেচাৰ দত্তই সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মোদী চৰকাৰৰ সু-শাসন আৰু সময় মতে কাম সম্পাদনা কৰা নীতি চমুকৈ প্ৰগতিৰ প্ৰশংসা কৰে। তেওঁ কয়, যে প্ৰগতিয়ে ভাৰতৰ বুনিয়াদী আন্তঃগাঁথনিৰ আঁচনিসমূহৰ ফলপ্ৰসূ, সংস্কাৰ অনাৰ লগতে ব্ৰহ্মপুত্ৰ নৈৰ ওপৰত দলং নিৰ্মাণ আদিৰ দৰে প্ৰধান আঁচনিসমূহৰ ফলপ্ৰসূ ৰূপায়ণতো যথেষ্ট সহায় কৰিছে।

০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছ্ৰোৰ নৱতম মহাকাশ যান PSLV-C59 আজি বিয়লি শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা উৎক্ষেপন কৰা হ'ব। ইছ্ৰোৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি আজি বিয়লি ৪ বাজি ১২ মিনিটত PSLV-C59 যানখনে ইউৰোপীয় মহাকাশ সংস্থাৰ প্ৰোবা থ্ৰী উপগ্ৰহলানি মহাকাশত উৎক্ষেপন কৰিব। উল্লেখযোগ্য যে, ইছ্ৰোৱে PSLV-C 59 প্ৰোবা থ্ৰী মহাকাশ যানৰ বিজুতিৰ বাবে এই উৎক্ষেপন অভিযানৰ সময় পুনৰ নিৰ্ধাৰণ কৰিছে। পূৰ্বে কালি বিয়লি ৪ বাজি ৮ মিনিটত এই উৎক্ষেপন কৰাৰ সময় নিৰ্ধাৰণ কৰা হৈছিল।

বিশ্বৰ প্ৰথমটো এই প্ৰোবা থ্ৰীত দুটা উপগ্ৰহ আছে যি কক্ষপথত উপনীত হোৱাৰ পাছত দুটা ভাগত বিভক্ত হ'ব। এই উপগ্ৰহসমূহে সৌৰ মুকুট, ইয়াৰ চৌপাশৰ বাতাবৰণ, মহাকাশৰ বতৰ আৰু সৌৰ বতাহৰ অধ্যয়ন কৰিব। ইছ্ৰোৰ বাণিজ্যিক শাখা নিউ স্পেচ ইণ্ডিয়া লিমিটেডে এই প্ৰোবা থ্ৰী উপগ্ৰহলানি মহাকাশত উৎক্ষেপন বাবে ইউৰোপীয় মহাকাশ সংস্থাৰ পৰা ফৰমাচ লাভ কৰিছে।

ooooo

২০২৩-২৪ বৰ্ষত গ্ৰাম্য সাক্ষৰতা পঞ্জীয়ন ২০২২-২৩ বৰ্ষতকৈ সামান্য বৃদ্ধি পোৱা বুলি শিক্ষা বিভাগৰ ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধাৰীয়ে প্ৰকাশ কৰে। ৰাজ্যসভাৰ লিখিত প্ৰশ্নোত্তৰ কালত মন্ত্ৰীগৰাকীয়ে কয়, যে গ্ৰাম্য সাক্ষৰতা হাৰ যোৱা বৰ্ষৰ ৭৭ শতাংশৰ পৰা এই বৰ্ষত ৭৭ দশমিক ৫ শতাংশলৈ বৃদ্ধি পাইছে। শিক্ষামন্ত্ৰীগৰাকীয়ে লগতে জানিবলৈ দিয়ে যে ২০২৩-২৪ বৰ্ষত পুৰুষৰ সাক্ষৰতা হাৰ ৮৪ দশমিক ৭ শতাংশলৈ বৃদ্ধি পোৱাৰ বিপৰীতে গ্ৰাম্য মহিলাৰ সাক্ষৰতাৰ হাৰ ৭০ দশমিক ৪ শতাংশলৈ বৃদ্ধি পাইছে।

ooooo

অসম চৰকাৰে ৰেস্তোৰাঁ, হোটেল ৰাজহুৱা অনুষ্ঠান আৰু আন সামাজিক স্থানত গো মাংসৰ ব্যৱহাৰ সম্পূৰ্ণ ৰূপে বন্ধ কৰাৰ কথা ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই কথা ঘোষণা কৰি কালি কয়, যে কেবিনেট বৈঠকত বৰ্তমানৰ গো মাংস গ্ৰহণ কৰা আইনৰ সংশোধনত অনুমোদন জনোৱাৰ পিছত এই সিদ্ধান্ত চূড়ান্ত কৰা হয়। মুখ্যমন্ত্ৰীয়ে কয়, যে কোনো ৰেস্তোৰাঁ, হোটেল অথবা ৰাজহুৱা স্থানত গো মাংস ব্যৱহাৰ কৰিবলৈ দিয়া নহ'ব। ইয়াৰ পূৰ্বেই মঠ, মন্দিৰৰ সমীপত গো মাংস ভক্ষন কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগত অংশকালীন ব্ৰডকাষ্ট এছিছটেণ্ট নিয়োগৰ বাবে আজি দিনৰ ১০ বজাৰ পৰা বাতৰি বিভাগৰ সঞ্চালকৰ কক্ষত এটা WALK-IN INTERVIEW অনুষ্ঠিত হ'ব। প্ৰাৰ্থীসকল পুৱা চাৰে ৯ বজাৰ ভিতৰত আকাশবাণী গুৱাহাটীৰ বাতৰি কক্ষত উপস্থিত হ'ব লাগিব।

ooooo

ভাৰতৰ বীৰ ন্যাসৰ পৰা বৰ্তমানলৈকে ৫ শ এগৰাকী শ্বহিদৰ পৰিয়াললৈ আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে। ৰাজ্যসভাত আজি এটা লিখিত উত্তৰত গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে ন্যাসে শ্বহিদৰ নিকটআত্মীয়সকলে কমেও এক কোটি টকাৰ সাহায্য লাভ কৰাটো নিশ্চিত কৰে। বিবাহিত শ্বহিদৰ পিতৃ-মাতৃকো ন্যাসৰ পৰা ১০ লাখ টকাৰ বিত্তীয় সাহায্য আগবঢ়োৱা হয়।

ooooo

ওমানৰ মাস্কটত অনুষ্ঠিত পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰতে চূড়ান্ত বিজয়ীৰ খিতাপ দখল কৰিছে। কালি অনুষ্ঠিত ফাইনেল খেলত ভাৰতে পাকিস্তানক ৫-৩ গ'লত পৰাস্ত কৰে। খেলখনত অৰজিৎ সিঙে ৪টা গ'ল দি খেলখনত বিজয় সাব্যস্ত কৰাৰ ক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰে। দিলৰাজ সিঙে এটা গ'ল দিয়ে। পাকিস্তানৰ হৈ ছুফায়ান খানে দুটা আৰু হন্নান ছাহিদে এটা গ'ল দিয়ে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত হকী ইণ্ডিয়াই কয়, যে ভাৰতীয় খেলুৱৈসকলৰ একাগ্ৰতা, দক্ষতা আৰু সমৰ্পিত মনোভাৱৰ বাবেই এই বিজয় সম্ভৱ হৈ উঠিছে। এই প্ৰতিযোগিতাত এয়া হৈছে ভাৰতৰ পঞ্চমটো খিতাপ। ইয়াৰ পূৰ্বে ২০০৪, ২০০৮, ২০১৫ আৰু ২০২৩ চনত ভাৰতে বিজয়ীৰ খিতাপ দখল কৰিছিল।

০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

**সমাপ্ত**